**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-07-2025 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

তিনিচুকীয়া জিলাৰ শদিয়াৰ চপাখোৱাৰ বুঢ়া-বুঢ়ী শালৰ আন্তঃগাঁথনি উন্নত কৰাৰ বাবে ৯ কোটি টকা ব্যয়সাপেক্ষে প্ৰকল্প ৰূপায়ণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। আজি তিনিচুকীয়া ভ্ৰমণ কৰা মুখ্যমন্ত্ৰীগৰাকীয়ে বুঢ়া-বুঢ়ীৰ শালত আয়োজিত এটা ধৰ্মীয় অনুষ্ঠানত অংশ লোৱাৰ সময়ত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ২১ বিঘা ভূমি সামৰি লোকনিৰ্মাণ বিভাগে এই প্ৰকল্প ৰূপায়ণ কৰিব। অহা এবছৰৰ ভিতৰত এই কাম সম্পন্ন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। শদিয়া ভ্ৰমণৰ সময়ত মুখ্যমন্ত্ৰীক মন্ত্ৰী ৰূপেশ গোৱালা, বিধায়ক বলিন চেতীয়া, চুৰেণ ফুকনকে ধৰি কেইবাগৰাকীও শীৰ্ষ নেতাই সংগ দিয়ে।

০০০০০০০

অসম আৰু মেঘালয়ত পাঁচদিনীয়া ভ্ৰমণসূচীৰে আকাশবাণীৰ সঞ্চালকপ্ৰধান ড° প্ৰজ্ঞা পালিৱাল গৌড় আজি শ্বিলঙত উপস্থিত হয়। শ্বিলঙলৈ যোৱাৰ পথত সঞ্চালকপ্ৰধানগৰাকীক আজি আকাশবাণীৰ উত্তৰ-পূৰ্বাঞ্চলৰ অতিৰিক্ত সঞ্চালকপ্ৰধান আশীষ ভাটনাগৰ, উপ-সঞ্চালকপ্ৰধান ৰবীন চন্দ্ৰ বড়ো, আকাশবাণী গুৱাহাটীৰ উপ-সঞ্চালকপ্ৰধান ৱালিউল্লা খান, আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰ আৰু আকাশবাণী গুৱাহাটীৰ অনুষ্ঠান বিভাগৰ মুৰব্বী কাৰ্ডলিন থেংকিউকে ধৰি বিষয়াসকলে আদৰণি জনায়।

কাইলৈ তেওঁ শ্বিলঙত আকাশবাণীৰ ৯০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজিত এটা সংগীতানুষ্ঠানত অংশগ্ৰহণ কৰিব। ২৪ জুলাইত তেওঁ শ্বিলঙত মেঘালয়ৰ আকাশবাণী কেন্দ্ৰসমূহত কাম-কাজৰ পৰ্যালোচনা কৰিব। ২৫ জুলাইৰ বিয়লি ড° পালিৱাল গৌড় গুৱাহাটীলৈ আহিব আৰু ২৬ জুলাইত তেওঁ গুৱাহাটীত অসমৰ আকাশবাণী কেন্দ্ৰসমূহৰ কাম-কাজৰ পৰ্যালোচনা কৰিব। ২৭ জুলাইত তেওঁ নতুন দিল্লীলৈ উভতি যাব।

০০০০০০০

ধেমাজি জিলাৰ বিশেষ পক্‌ছ' আদালতে আজি এগৰাকী নাবালিকা ধৰ্ষণৰ গোচৰত এজন অভিযুক্তক পক্‌ছ' আইনৰ অধীনত ১০ বছৰৰ সশ্ৰম কাৰাদণ্ডৰ ৰায় দিয়ে। ২০২১ চনত গোগামুখ থানাৰ অন্তৰ্গত সোণাপুৰত এগৰাকী নাবালিকাক ধৰ্ষণৰ অভিযোগত মাণিক আলী নামৰ এই অভিযুক্তজনক গ্ৰেপ্তাৰ কৰা হয় আৰু তেওঁৰ বিৰুদ্ধে পক্‌ছ' আইনৰ সংশ্লিষ্ট ধাৰাৰ অধীনত গোচৰ ৰুজু কৰা হয়। চাৰিবছৰজোৰা বিচাৰ প্ৰক্ৰিয়াৰ অন্তত বিশেষ অতিৰিক্ত ছেচন ন্যায়াধীশ কল্যাণজিৎ শইকীয়াৰ আদালতে তেওঁক দোষী সাব্যস্ত কৰে আৰু আজি ভাৰতীয় দণ্ডবিধিৰ নিৰ্দিষ্ট ধাৰা অনুসৰি এই শাস্তিৰ ৰায় দিয়ে।

০০০০০০০

কৃষি আৰু আবকাৰি বিভাগৰ মন্ত্ৰী অতুল বৰাই যোৰহাটত আজি কৃষি আৰু আবকাৰি বিভাগৰ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। ৰাজ্যৰ কেইবাটাও প্ৰান্তত সৃষ্টি হোৱা খৰাংসদৃশ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি যোৰহাট জিলাতো মন্ত্ৰীগৰাকীয়ে পৰিস্থিতিৰ সবিশেষ বুজ লয়। খৰাংসদৃশ পৰিস্থিতিৰ ক্ষেত্ৰভিত্তিক মূল্যায়ন কৰি কৃষকসকলক সহায়-সহযোগ কৰিবলৈ তেওঁ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে।

লগতে মন্ত্ৰীগৰাকীয়ে জিলাখনৰ চাহ বাগিছা অঞ্চলত অবৈধ সুৰাৰ বিৰুদ্ধে চলি থকা বিভাগীয় অভিযানৰ অগ্ৰগতিৰো বুজ লয়। বৈঠকত আবকাৰি অধীক্ষক আৰু পৰিদৰ্শকক এই অভিযান তীব্ৰতৰ কৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে।

0000000

হোজাই জিলাৰ উদালী বজাৰৰ সমীপত জিলা শ্ৰম বিভাগে চলোৱা অভিযানত দুজন শিশু শ্ৰমিক উদ্ধাৰ কৰা হয়। এটা বিস্কুটৰ কাৰখানাৰ পৰা উদ্ধাৰ কৰা শিশু দুটিক পৰৱৰ্তী সময়ত শিশু কল্যাণ সমিতিৰ ওচৰলৈ প্ৰেৰণ কৰা হয়। শিশু শ্ৰমিক নিয়োজিত কৰা বিস্কুট কাৰাখানাটোৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা বুলি জিলা শ্ৰম বিভাগৰ বিষয়াই জানিবলৈ দিয়ে। অভিযানৰ সময়ত শ্ৰম বিভাগক চাইল্ডলাইন আৰু স্থানীয় আৰক্ষীয়ে সহযোগ কৰে।

0000000

কাছাৰ জিলাৰ কৃষকসকলৰ স্বাৰ্থ ৰক্ষাৰ লক্ষ্যৰে আজি জিলা আয়ুক্ত কাৰ্যালয়ত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। খাৰিফ ধান ক্ৰয়ৰ পূৰ্বে জিলা প্ৰশাসনে আয়োজন কৰা এই বৈঠকত জিলা আয়ুক্ত মৃদুল যাদৱে সভাপতিত্ব কৰে। বৈঠকত ধান ক্ৰয় প্ৰক্ৰিয়া নিয়াৰিকৈ আয়োজন কৰা সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। এই বৈঠকত খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক সুৰক্ষা বিভাগ, কৃষি বিভাগ, ভাৰতীয় খাদ্য নিগমৰ লগতে কৃষক আৰু মিল মালিক সন্থাৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে।

0000000

সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ তিনিচুকীয়া জিলা সমিতিয়ে আজি বিভিন্ন সমস্যা সমাধানৰ দাবীৰে জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। আদিবাসীসকলক জনজাতিৰ মৰ্যাদা প্ৰদান কৰা, শ্ৰমিকৰ মজুৰি বৃদ্ধি কৰা, ভূমি পট্টা দিয়াকে ধৰি বিভিন্ন দাবী পূৰণ কৰিবলৈ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে।

0000000

সমৰ্থৰ উদ্যোগত নামনি মাজুলীৰ আদি এলেঙী সত্ৰত বস্ত্ৰশিল্পৰ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হৈছে। কেন্দ্ৰীয় বস্ত্ৰ আৰু হস্ততাঁত মন্ত্ৰালয়ৰ অধীনত অনুষ্ঠিত এই প্ৰশিক্ষণ শিবিৰ মাজুলীৰ বিভিন্ন অঞ্চলৰ মহিলাসকলে অংশগ্ৰহণ কৰে। প্ৰশিক্ষণ শিবিৰত গুৱাহাটীৰ বয়ন সেৱা কেন্দ্ৰৰ সহযোগত সূতাৰ প্ৰাকৃতিক ৰং আৰু কৃত্ৰিম ৰাসায়নিক ৰং ব্যৱহাৰৰ প্ৰশিক্ষণ দিয়া হয়।

000000000

**সমাপ্ত**